# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ এশ দিন সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুবিধা বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ  সম্ভৱ হৈছে। চৰকাৰে ২৮ হাজাৰতকৈ অধিক টকা বিনিয়োগেৰে দেশত ১২ টা ঔদ্যোগিক ব্যৱস্থা স্থাপনৰ যোগেদি বিশ্বমানৰ উৎপাদন কেন্দ্ৰ গঢ়ি তুলিছে। যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত পুণে, থানে আৰু বাংগালুৰুত মুঠ ৩০  হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' প্ৰকল্প হাতত লোৱা হৈছে। সুবিধাজনক ভ্ৰমণৰ বাবে দিল্লীৰ আই জি আই বিমানবন্দৰত ফাষ্ট ট্ৰেক ইমিগ্ৰেছন ট্ৰাষ্টেড ট্ৰেভেলাৰ প্ৰ'গ্ৰাম আৰম্ভ কৰা হৈছে। ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তন কৰি স্বচ্ছ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। কৰদাতাসকলক উপকৃত কৰাৰ বাবে ৭ লাখ টকা পৰ্যন্ত আয় কৰ মুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে।  আয়কৰ আইনখন সৰল কৰাৰ বাবেও পৰ্যালোচনা আৰম্ভ হৈছে।  উমৈহতীয়া পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে আৰু অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী তথা তেওঁলোকৰ পৰিয়ালৰ বাবে এক পদবী এক পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ নিৰ্ভৰতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন কৰা হৈছে। ৭০ বছৰ বা তাতকৈ অধিক বয়সৰ ব্যক্তিৰ বাবে আয়ুষ্মান ভাৰত আঁচনিৰ যোগেদি প্ৰতি বছৰে ৫ লাখ টকাৰ চিকিৎসা সাহায্য প্ৰদান কৰি থকা হৈছে। মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি  উদ্যোগীকৰণ ত্বৰান্বিত কৰা হৈছে। সোণ আৰু ৰূপৰ ওপৰত সীমাশুল্ক ৬ শতাংশ আৰু প্লেটিনামৰ ওপৰত ৬ দশমিক ৪ শতাংশ হ্ৰাস কৰাৰ ফলত মধ্যবিত্ত শ্ৰেণী সকাহ পোৱা পৰিলক্ষিত হৈছে। পৰিবেশ অনুকুল পৰিবহন ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে ৩ হাজাৰ ৪শ কোটি টকাৰ পি এম ই বাছ সেৱা ক্ৰয় কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যোগেদি নগৰাঞ্চলত এক কোটি গৃহ নিৰ্মাণ কৰা হৈছে। তদুপৰি পি এম সূৰ্যঘৰ বিনামুলীয়া বিজুলী যোজনাৰ অধীনত চাৰে ৩ লাখ বাসগৃহত সৌৰ ব্যৱস্থা স্থাপনৰ ফলত মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিচৰাধীন গোচৰসমূহে ন্যায় প্ৰদান ব্যৱস্থাত অন্তৰায় সৃষ্টি কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, এই গোচৰসমূহৰ বাবে ন্যায় প্ৰদানত বিলম্ব হয়। ৰাজ্যত বিভিন্ন পৰ্য়ায়ত চাৰে চাৰি লাখতকৈও অধিক গোচৰ বিচৰাধীন হৈ আছে বুলি তেওঁ সদৰী কৰে। তেওঁ কয় যে ইয়াৰ পৰিপ্ৰেক্ষিতত কম গুৰুত্বপূৰ্ণ গোচৰসমূহ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ জৰিয়তে অধিক গুৰুত্বপূৰ্ণ গোচৰসমূহৰ বিচাৰৰ ক্ষেত্ৰত সুচলতা আহি পৰিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাৰ পৰা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হোৱাৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

শোণিতপুৰ জিলাৰো বিদ্যালয়সমূহৰ সময়সূচী সলনি কৰাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ে আজি নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰা দিনৰ ১২ বজালৈ অনুষ্ঠিত কৰিবলৈ কোৱা হৈছে। আনহাতে মাধ্যমিক তথা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীসমূহ একে সময়তে আৰম্ভ হৈ দিনৰ চাৰে ১২ বজাত শেষ হ'ব। ইপিনে উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ পাঠদান এক বজাত শেষ হ'ব।

0000000

কাৰ্বি যুৱ মহোৎসৱৰ সোণালী জয়ন্ত বৰ্ষ উপলক্ষে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ উদ্যোগত কাৰ্বি অধ্যয়ন কেন্দ্ৰ আৰু অসম বিশ্ববিদ্যালয় ডিফু চৌহদৰ সহযোগত ডিফুৰ আৰবোৰিটামত দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আজি সামৰণি পৰে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰা সন্মিলনত নৰোৱেৰ মাইকেল হেনিছ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ উইলিয়াম ৰেষ্টাৰমেন, জাৰ্মানীৰ ছিমন ৰেইচিক, ইষ্টনিয়াৰ টাৰ্ট বিশ্ববিদ্যালয়ৰ মাৰ্গাৰেট লিংডো আৰু নৰোৱেৰ উচ্চ শিক্ষা গ্ৰহণ কৰি থকা কাৰ্বি আংলঙৰ থে আং তেৰনে সমল ব্যক্তি হিচাপে উপস্থিত থাকে। সন্মিলনত হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক ৱাই এ সুধাকৰ ৰেড্ডীয়ে মূল বক্তা ভাষণ আগবঢ়ায়।

0000000

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত কাইলৈ ঢেকিয়াজুলিত শ্বহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ আৰু প্ৰতিমুৰ্তি উদ্বোধন কৰা হব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। জাতীয়তাবাদ আৰু দেশপ্ৰেমক প্ৰতিফলিত কৰা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিবলগীয়া কাইলৈৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালো উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। 00000

0000000

চুতীয়া জনগোষ্ঠীক জনজাতিকৰণ, চুতীয়া ৰজাৰ শাসনকালৰ কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণৰ দাবীত আজি শিৱসাগৰত চুতীয়া ছাত্ৰ সন্থাই অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সন্থাটোৰ শতাধিক কৰ্মীয়ে জনজাতিকৰণৰ নামত প্ৰতাৰণা বন্ধ কৰাৰ লগতে চুতীয়া ৰজাৰ শাসনকালৰ ঐতিহাসিক স্থানসমূহৰ সৌন্দৰ্য বৰ্ধন কৰা আদি বিষয়সমূহত গুৰুত্ব আৰোপ কৰিবলৈ দাবী জনায়।

00000000

দেশজুৰি চলি থকা স্বচ্ছতাই সেৱা অভিযানৰ লগত সংগতি ৰাখি আজি যোৰহাটতো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ সহযোগত যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰা হয়।

অনুষ্ঠানত জিলাখনৰ সহকাৰী আয়ুক্ত, চক্ৰ বিষয়াসকল, কাৰ্যবাহী অভিযন্তা তথা অন্যান্য বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooooo

**সমাপ্ত**